জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১১/২০২১

# বিশিষ্ট সাহিত্যিক ডাঃ কৰুণা সাগৰ দাস, প্ৰবীণ অভিনেত্ৰী মীৰা বিশ্বাস আৰু বিশিষ্ট সমাজকৰ্মী বিৰিঞ্চি দাসৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৬ জানুৱাৰী ঃ** বিশিষ্ট সাহিত্যিক ডাঃ কৰুণা সাগৰ দাসৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে এক দীঘলীয়া সময় ধৰি প্ৰয়াত কৰুণা সাগৰ দাসে অসমৰ হিতৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি গৈছে। প্ৰবাসত থাকিও অসমৰ হকে তেখেতে বহু অৰিহণা যোগাই গৈছে। 'লুইতৰ পৰা টেমছলৈ' নামৰ আলোচনীখনৰ মুখ্য সম্পাদকৰ দায়িত্ব বহন কৰি প্ৰয়াত দাসে এই দিশত বিশিষ্ট অৰিহণা আগবঢ়াই গৈছে। সুদুৰ লণ্ডনত প্ৰয়াত দাসে গুৰুজনাৰ আদৰ্শ প্ৰচাৰ আৰু প্ৰসাৰৰ দিশতো শক্তিশালী বৰঙনি যোগাই গৈছে। বিশিষ্ট সাহিত্যিক কৰুণা সাগৰ দাসৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ডাঃ কৰুণা সাগৰ দাসৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, প্ৰবীণ অভিনেত্ৰী মীৰা বিশ্বাসৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত প্ৰয়াত মীৰা বিশ্বাসে অসমৰ সাংস্কৃতিক জগতলৈ যি অৰিহণা আগবঢ়াই গ'ল সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। অসমীয়া নাটকৰ লগতে চলচ্চিত্ৰৰ লগতো জড়িত হৈ থকি এইগৰাকী অভিনেত্ৰীয়ে আমাৰ সাংস্কৃতিক জগতখনলৈ অনন্য অৰিহণা যোগাই গৈছে। হিন্দী চলচ্চিত্ৰ জগতত অভিনয়ৰে স্বকীয়তা প্ৰদৰ্শন কৰা এইগৰাকী অভিনেত্ৰীয়ে আমাৰ নাট্য আন্দোলনক বিশেষ মাত্ৰা প্ৰদান কৰি থৈ গৈছে। এগৰাকী শিক্ষয়িত্ৰী হিচাপে তেওঁ শিক্ষা জগতলৈও বিশেষ অৰিহণা আগবঢ়াই গৈছে। বিজ্ঞানমনস্ক, মানৱদৰদী, এইগৰাকী বিশিষ্ট অভিনেত্ৰীৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত মীৰা বিশ্বাসৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

# প্ৰেছ বাৰ্তা

আনহাতে বিশিষ্ট সমাজকৰ্মী, অসম আন্দোলন সক্ৰিয় কৰ্মী, ৰাজনীতিবিদ বিৰিঞ্চি দাসৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে এইগৰাকী  নেতাই আমাৰ সমাজ জীৱনলৈ যি অৰিহণা আগবঢ়াই গ'ল, সেয়া ৰাজ্যবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। অসম আন্দোলনৰ এগৰাকী সক্ৰিয় কৰ্মী তথা অসম গণ পৰিষদৰ নেতা বিৰিঞ্চি দাসে অসম আন্দোলনৰ সময়ত  আন্দোলনটোক গতি প্ৰদানৰ দিশত যথেষ্ট অৰিহণা আগবঢ়াই যোৱাৰ উপৰি ইয়াৰ পৰৱৰ্তী কালত অসম গণ পৰিষদ দলৰ এগৰাকী নেতা হিচাপে দলটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ দিশতো অৰিহণা আগবঢ়াই গৈছে। এইগৰাকী বিশিষ্ট সমাজকৰ্মীৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত বিৰিঞ্চি দাসৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ / প্ৰঃকুঃব**
**৬/০১/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in